# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ। পুৱাৰে পৰা ভোটকেন্দ্ৰসমূহত ভোটদাতাৰ দীঘলীয়া শাৰী।

২। ৰাজ্যৰ প্ৰথম পৰ্যায়ত ৫টা সংসদীয় সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীৰ আজি ভাগ্য নিৰ্ণয়।

৩। দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অব্যাহত।

৪। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত প্ৰতিদ্বন্দ্বিতা।

0000000

ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। পুৱাৰেপৰা ভোটদাতাসকলে ভোটকেন্দ্ৰসমূহত শাৰী পাতি ভোটদানৰ বাবে ভিৰ কৰা পৰিলক্ষিত হৈছে। দেশৰ আন প্ৰান্তৰ লগতে অসমৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। সমষ্টিকেইটাত ৮৬ লাখৰো অধিক ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। সমষ্টিকেইটাত কংগ্ৰেছ আৰু বিৰোধী ঐক্যমঞ্চৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিজেপি সাংসদ প্ৰদান বৰুৱা, তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈসহ কেইবাগৰাকীও আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। বিয়লি ৫ বজালৈ ভোটগ্ৰহণ কৰা হ'ব।

কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে যোৰহাটৰ ১০ নম্বৰ ৱাৰ্ডত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। ইফালে, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত, অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে তিনিচুকীয়া জিলাৰ লাইপুলি মধ্য ইংৰাজী বিদ্যালয়ত আৰু আপৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে ডিব্ৰুগড়ৰ ডাইনীজান প্ৰাথমিক বিদ্যালয়ত ভোটদান কৰিছে। ইপিনে, শোণিতপুৰত বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্ত আৰু কংগ্ৰেছ প্ৰাৰ্থী প্ৰেমলাল গঞ্জু তথা কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে কাজিৰঙাত ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে।

সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। গোলাঘাট জিলাত এহেজাৰ ৫৯ টা ভোটকেন্দ্ৰ আছে আৰু ইয়াত দুহেজাৰৰো অধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে সকলোকে স্বতন্ত্ৰভাৱে আৰু শুদ্ধ বিবেচনাৰে গণতান্ত্ৰিক অধিকাৰ

সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। জিলাখনত এই নিৰ্বাচনত ৯ লাখ ৮৫ হাজাৰৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। একেদৰে চৰাইদেউ জিলাৰ ৩৪৪ টা ভোটকেন্দ্ৰৰ ভিতৰত ৪টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা আৰু এটা বিশেষভাৱে সক্ষম বিষয়াৰ দ্বাৰা পৰিচালিত হৈছে।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৫ হাজাৰ ৫০০ৰো অধিক ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত সূক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ১৪ খন জিলাত নিৰাপত্তা বাহিনীৰ ১০৬টা কোম্পানী নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভাৰ একক পৰ্যায়ৰ ভোটগ্ৰহণো আৰম্ভ হৈছে।

oooo

অসমৰ ৫ খন লোকসভা আসনৰ বাবে আজি অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আটাইকেইখন আসনতে ভাৰতীয় জনতা পাৰ্টী আৰু বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ মাজত প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। এই দুই মিত্ৰজোঁটৰ লগতে আম আদমী পাৰ্টীয়ে দুখন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক ৰঞ্জিত দত্তই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে, কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ, প্ৰাক্তন বিধায়ক ৰ'জলীনা তিৰ্কী, উদয় শংকৰ হাজৰিকা, অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব।

ooooooo

উচ্চতম ন্যায়ালয়ে লোকসভা নিৰ্বাচন প্ৰক্ৰিয়াৰ পৱিত্ৰতা ৰক্ষা কৰাত সচেষ্ট হ'বলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিছে। ই ভি এমৰ ভোটৰ সৈতে ভিভিপেটৰ শ্লিপ মিলাই চোৱাৰ বাবে দাখিল কৰা আবেদনৰ শুনানি লৈ সৰ্বোচ্চ ন্যায়ালয়খনে কালি আয়োগক এই নিৰ্দেশ দিয়ে। দেশত আজি লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ আগেয়ে ই ভি এমসমূহ ভালদৰে পৰীক্ষা কৰি চাবলৈ ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপংকৰ দত্তৰ খণ্ড বিচাৰপীঠে আয়োগক নিৰ্দেশ দিয়ে। ই ভি এমত নিজৰ পছন্দৰ প্ৰাৰ্থীক ভোট দিয়া হৈছে নে নাই সেই বিষয়ে ভিভিপেটৰ শ্লিপৰ মাধ্যমেৰে ভোটদাতাক পৰ্যবেক্ষন কৰাৰ সুবিধা দিয়া হৈছে।

oooo

সমগ্ৰ দেশতে প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অব্যাহত আছে। এই পৰ্যায়ত অসম, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, ৰাজস্থান, তামিলনাডু, অৰুণাচল প্ৰদেশ, উত্তৰাখণ্ড, মণিপুৰ আৰু মেঘালয়সহ ১৭ খন ৰাজ্য আৰু চাৰিটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টি সামৰি লোৱা হৈছে। আজি ১৬ কোটি ৬৩ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ভিতৰত ৪ কোটি ৪০ লাখ পুৰুষ, ৮ কোটি ২৩ লাখ মহিলা আৰু ১১ হাজাৰ তৃতীয় লিংগৰ ভোটাৰ আছে। প্ৰথম পৰ্যায়ত প্ৰায় ৩৬ লাখ নতুন ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১ লাখ ৬৩ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ উপৰি ৮৫ বছৰ ঊৰ্ধৰ ১৪ লাখৰো অধিক আৰু প্ৰায় ১৪ লাখ দিব্যাংগ ভোটাৰক ঘৰৰ পৰাই ভোটদান কৰাৰ বিকল্প প্ৰদান কৰা হৈছে। নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো কেন্দ্ৰতে খোৱা পানী, শৌচালয়, হুইল চেয়াৰ, স্বেচ্ছাসেৱক, ৰেম্প আৰু বিদ্যুতৰ দৰে বুনিয়াদী সা-সুবিধাৰ ব্যৱস্থা কৰিছে। নিৰ্বাচনী প্ৰক্ৰিয়াত নজৰ ৰখাৰ বাবে বিভিন্ন সমষ্টিত ৩৬১ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ভোটদাতাসকলক

প্ৰলোভনৰ ঘটনা ৰোধ কৰাৰ বাবে ৪ হাজাৰৰো অধিক ফ্লায়িং স্কোৱাড, ৫ হাজাৰৰো অধিক পৰিসংখ্যা নিৰীক্ষণ দল আৰু দুহেজাৰৰো অধিক ভিডিঅ' নিৰীক্ষণ দলে অহৰ্নিশে কাম কৰি আছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সুক্ষ্ম পৰ্যবেক্ষক নিয়োগ কৰা হৈছে আৰু মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ ৫০ শতাংশৰো অধিক কেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

ৰাজ্যত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কৰিমগঞ্জত দলৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ কৰিমগঞ্জত উন্নয়নৰ ধাৰা অটুট ৰাখিবলৈ সকলোকে প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। ৰাজ্যখনত তৃণমূল কংগ্ৰেছ, এ আই ইউ ডি এফকে ধৰি দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ কাৰ্যসূচী অব্যাহত ৰাখিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কোকৰাঝাৰ, ওদালগুৰি আৰু দুধনৈত তিনিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ সংসদীয় সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত কোকৰাঝাৰ গ্ৰীন ফিল্ডত আয়োজিত এখন নিৰ্বাচনী সভাত দিয়া ভাষণত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে এন ডি এৰ শাসনকালত অঞ্চলটোত দশক দশক জুৰি চলি থকা অশান্তিৰ পৰিবেশৰ অন্ত পৰিছে বুলি মত প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু তেওঁৰ নেতৃত্বতে বড়ো শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ লগতে সমগ্ৰ বড়োলেণ্ড স্বায়ত্ব শাসিত অঞ্চলত শান্তি আৰু উন্নয়নৰ পথ প্ৰশস্ত হৈছে। হিংসা আৰু অশান্তিৰ পৰিৱেশে বিৰাজ কৰা অঞ্চলটোৱে প্ৰধানমন্ত্ৰীগৰাকীৰ সুদূৰপ্ৰসাৰী সিদ্ধান্তৰ বাবে শান্তি আৰু উন্নয়নৰ আদৰ্শ দাঙি ধৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় চৰকাৰে শান্তি চুক্তি অনুসৰি উন্নয়নমূলক কামৰ বাবে ১৫০০ কোটি টকাৰ আৱণ্টন দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই সময়ছোৱাত এহেজাৰতকৈও অধিক উগ্ৰপন্থীয়ে আত্মসমৰ্পন কৰিছে। এই অঞ্চলটোৰ প্ৰতি দেখুওৱা অৱহেলা আৰু বিভাজনমূলক নীতিৰ বাবে শ্ৰী নাড্ডাই কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি কয় যে বিজেপিয়ে সৰ্বাংগীন উন্নয়নত বিশ্বাস কৰে। শ্ৰী নাড্ডাই লগতে দৰং-ওদালগুৰি সংসদীয় সংষ্টিৰ বিজেপি প্ৰাৰ্থীৰ দিলীপ শইকীয়াৰ হৈ ওদালগুৰিত আৰু গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতাৰ হৈ দুধনৈত প্ৰচাৰ চলায়। দুধনৈ ৰাজহুৱা খেল পথাৰত আয়োজিত বিজয় সংকল্প সমাৱেশ শীৰ্ষক নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশ লৈ তেওঁ কয় যে বিজেপিয়ে সদায়ে বিকাশৰ ৰাজনীতি কৰি আহিছে। ইয়াৰ ফলত দেশৰ অৰ্থ ব্যৱস্থা উন্নত হোৱাৰ লগতে ঔদ্যোগিক ক্ষেত্ৰলৈ পৰিৱৰ্তন আহিছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ আজি অন্তিম দিন। এই পৰ্যায়ত অহা ৭ মে'ত ১০ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৪ খন সংসদীয় আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৰাজ্যৰ গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত এই পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন অহা ২২ এপ্ৰিল।

০০০০০০০০

চতুৰ্থ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত অহা ১৩ মে'ত দেশৰ ৯ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। প্ৰাৰ্থীসকলে ২৫ এপ্ৰিললৈকে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ২৯ এপ্ৰিল। ইয়াৰ সমান্তৰালভাৱে ১৭৫ জনীয়া অন্ধ্ৰ প্ৰদেশ বিধানসভা আৰু ওড়িশাৰ ২৮টা বিধানসভা সমষ্টিৰ বাবে প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জনসাধাৰণক ভোটদান কৰিবলৈ আহ্বান জনাইছে। দেশৰ ভৱিষ্যত গঢ়াত অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে সকলোকে বিশেষকৈ প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ লাভ কৰা ভোটদাতাসকলক সবলীকৰণৰ এই ক্ষণৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কৈছে যে ভাৰত অকল সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, বৰং গণতন্ত্ৰৰ জননীও।

ooooo

উচ্চতম ন্যায়ালয়ে লোকসভা নিৰ্বাচন প্ৰক্ৰিয়াৰ পবিত্ৰতা ৰক্ষা কৰাত সচেষ্ট হ'বলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিছে। ই ভি এমৰ ভোটৰ সৈতে ভিভিপেটৰ শ্লিপ মিলাই চোৱাৰ বাবে দাখিল কৰা আবেদনৰ শুনানি লৈ সৰ্বোচ্চ ন্যায়ালয়খনে কালি আয়োগক এই নিৰ্দেশ দিয়ে। দেশত আজি লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ আগেয়ে ই ভি এমসমূহ ভালদৰে পৰীক্ষা কৰি চাবলৈ ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপংকৰ দত্তৰ খণ্ড বিচাৰপীঠে আয়োগক নিৰ্দেশ দিয়ে। ই ভি এমত নিজৰ পছন্দৰ প্ৰাৰ্থীক ভোট দিয়া হৈছে নে নাই সেই বিষয়ে ভিভিপেটৰ শ্লিপৰ মাধ্যমেৰে ভোটদাতাক পৰ্যবেক্ষন কৰাৰ সুবিধা দিয়া হৈছে।

ooooo

লোকসভা নিৰ্বাচনৰ বাবে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আয়োজন কৰা শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ বিজয়ীসকলক কালি বঁটা প্ৰদান কৰা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰত আয়োজিত অনুষ্ঠানত পি আই বি, গুৱাহাটী কাৰ্যালয়ৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমচু আৰু আকাশবাণী গুৱাহাটীৰ মুৰব্বী ৱালিউল্লা খানে প্ৰতিযোগীসকলক পুৰস্কাৰসমূহ বিতৰণ কৰে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত কটন বিশ্ববিদ্যালয়ৰ স্নাতক চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ হৃষীকেশ বড়োৱে প্ৰথম, গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী সুকন্যা শৰ্মাই দ্বিতীয় আৰু কটন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰী প্ৰাচুৰ্য্যা প্ৰেম গাৰ্গে তৃতীয় পুৰস্কাৰ লাভ কৰে। পুৰস্কাৰ বিজয়ীসকলক একোটাকৈ ৰেডিঅ', মানপত্ৰ আৰু উপহাৰৰ টোপোলা প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া ভোটদাতাসকলক সজাগ কৰাৰ বাবে আয়োজিত এই প্ৰতিযোগিতা যুৱ ভোটদাতাসকলৰ বাবে মুকলি আছিল। ৰাজ্যৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

ooooo

ৰাজ্যত নিৰ্বাচনী তৎপৰতাৰ মাজতে সাদিনীয়াকৈ পালন কৰা ৰঙালী বিহুৰ আজি শেষৰ দিনা চেৰা বা এৰা বিহু পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল'লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়।

ৰাইজে বাপতি সাহোন ৰঙালী বিহু পৰম্পৰাগতভাৱে পালন কৰাৰ লগতে ৰাজ্যৰ বিভিন্ন বিহু মঞ্চত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হৈছে। এনে অনুষ্ঠানত জনপ্ৰিয় শিল্পীসকলে সংগীতানুষ্ঠানেৰে দৰ্শক-শ্ৰোতাক আমোদ দিয়া পৰিলক্ষিত হৈছে।

ooooo

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ ভৈৰৱগঞ্জ নামঘৰত কালি গছ বিহু পালন কৰা হয়। অৰণ্য সুৰক্ষা সমিতি, অসমৰ উদ্যোগত প্ৰতি বছৰে পালন কৰি অহা এই গছ বিহুৰ অনুষ্ঠানৰ অংশ হিচাপে গছপুলি ৰোপন, সেউজ পত্ৰিকা উন্মোচন, নাম-কীৰ্তন আৰু বিহুগীত পৰিৱেশনকে ধৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত অৰণ্য সুৰক্ষা সমিতি, অসমৰ সচিব প্ৰধান হৰিচৰণ দাস আৰু স্থানীয় সমাজকৰ্মী ধ্ৰুৱৰঞ্জন চক্ৰৱৰ্তীকে ধৰি বহুকেইগৰাকী বিশিষ্ট্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত অৰ্থাৎ আজি, অহা ২৬ এপ্ৰিল আৰু ৭ মে'ৰ দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব। আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত আজি, অহা ২৬ এপ্ৰিল, ৭, ১৩, ২০ আৰু ২৫ মে' তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

মুম্বাই ইণ্ডিয়ানছে যোৱা নিশা চণ্ডিগড়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক ৯ ৰানত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্যকুমাৰ যাদৱে ৫৩ টা বলত ৭৮ ৰান কৰে। পাঞ্জাব কিংছৰ হৰ্যল পেটেলে ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৯ অ'ভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ আশুতোষ শৰ্মাই ২৮টা বলত ৬১ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাইৰ হৈ যশপ্ৰীত বুমৰাহ আৰু জেৰেল্ড কোড্‌জিয়ে ৩টাকৈ উইকেট দখল কৰে।

ooooo

আজি অষ্টাদশ লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰিকাকতে গুৰুত্বসহকাৰে মুখ্য পৃষ্ঠাত প্ৰকাশ কৰিছে।

উজনিৰ ৫ সমষ্টিত আজি ৩৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে। ডিব্ৰুগড়, যোৰহাট, শোণিতপুৰ, লখিমপুৰ আৰু কাজিৰঙা লোকসভা সমষ্টিৰ ৮৬ লাখ ৪৭ হাজাৰ ৮৬৯ গৰাকী ভোটাৰে আজি ভাগ্য নিৰ্ণয় কৰিব শাসক বিৰোধী উভয়পক্ষৰ ৩৫ গৰাকী প্ৰাৰ্থীৰ।

১৮ এপ্ৰিলত দুধনৈ-ৰৌতাত বিজেপি প্ৰাৰ্থীৰ হৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই প্ৰচাৰ সভাত কোৱা বড়োলেণ্ডত বোমা-বাৰুদৰ সলনি এতিয়া শান্তিৰ বাতাবৰণ এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

নৰ শৰণীয়া সম্পৰ্কে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়দান নৰ শৰণীয়া জনজাতীয় লোক নহয় এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পোষ্টেল বেলটৰ ফটো তুলি বিপদত দুই নিৰ্বাচন বিষয়া এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

Parties Silent on Issues Concerning Youths এই বাতৰিটো দ্যা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

Xatradhikars appeal to all to participate fastival of democracy শিৰোনামেৰে এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে –

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**